দেশ

মঞ্চত ‘জে পি নাড্ডা মুর্দাবাদ’ ধ্বনি দি জিভা পিছলিল মুখ্যমন্ত্রীৰ!

৪ নৱেম্বৰত ভূপালত বিজেপিৰ ৰাজহুৱা সভাত শ্লগান দি থাকোঁতে মুখ্যমন্ত্রী মোহন যাদৱৰ জিভা পিছলিল। জে পি নাড্ডাৰ নামৰ সৈতে ভুলবশতঃ ‘মুর্দাবাদ’ বুলি কৈ লগে লগে ‘জিন্দাবাদ’ বুলি শুধৰাই লয় তেওঁ। ঘটনাৰ ভিডিঅ’ সামাজিক মাধ্যমত ভাই�ৰেল হৈছে।

প্রকাশ: ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪২



ভূপাল, ৪ নৱেম্বৰ, ২০২৬:

মঞ্চত ভাষণ দি থাকোঁতেই জিভা পিছলিল (Slip of the tongue) মধ্যপ্রদেশৰ মুখ্যমন্ত্রী মোহন যাদৱৰ। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্রীয় মন্ত্রী জে পি নাড্ডাৰ সন্মুখতে ‘জে পি নাড্ডা মুর্দাবাদ’ বুলি কৈ অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে মুখ্যমন্ত্রীগৰাকীয়ে। অৱশ্যে ভুলটো উপলব্ধি কৰিয়েই তেওঁ লগে লগে শ্লগানটো শুধৰাই ‘জে পি নাড্ডা জিন্দাবাদ’ বুলি কয়। এই ঘটনাৰ ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পাছতে চর্চা আৰম্ভ হৈছে।

৪ নৱেম্বৰ, বুধবাৰে মধ্যপ্রদেশৰ ৰাজধানী ভূপালৰ TT Nagarত বিজেপিৰ উদ্যোগত ‘লোকতন্ত্র বচাও, অৰাজকতা হটাও’ শীর্ষক পদযাত্রা আৰু ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। অটল পথৰ পৰা ৰোশনপুৰা চ’কলৈ

উলিওৱা পদযাত্রাত কেন্দ্রীয় মন্ত্রী জে পি নাড্ডা, মুখ্যমন্ত্রী মোহন যাদৱকে ধৰি বিজেপিৰ কেইবাগৰাকীও নেতা উপস্থিত আছিল।

‘মোদী জিন্দাবাদ’ৰ পাছতে ‘নাড্ডা মুর্দাবাদ’!

সভাৰ মঞ্চৰ পৰা দলীয় নেতাসকলৰ সমর্থনত শ্লগান দি আছিল মুখ্যমন্ত্রী মোহন যাদৱে। প্রথমে তেওঁ ‘নৰেন্দ্র মোদী জিন্দাবাদ’ বুলি ধ্বনি দিয়ে। তাৰ পাছতে জে পি নাড্ডাৰ নাম উচ্চাৰণ কৰি ভুলবশতঃ ‘মুর্দাবাদ’ বুলি কৈ লগে লগে শুধৰালে।

নিজৰ মুখৰ পৰা ওলোৱা শব্দটো উপলব্ধি কৰাৰ লগে লগে মোহন যাদৱে শ্লগানটো শুধৰাই ‘জে পি নাড্ডা জিন্দাবাদ’ বুলি কয়। তাৰ পাছত তেওঁ কংগ্রেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে ‘মুর্দাবাদ’ ধ্বনি দিয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/754/monsot-je-pi-nadda-murdabad-dhboni-di-jibha-pisolil-mukhyomontrir